৫। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ১৪

(ক) 'মৌন নিমন্ত্ৰণ' কবিতাটিৰ মাজেৰে প্ৰকৃতিৰ সৌন্দৰ্য কিদৰে প্ৰকাশিত হৈছে, বৰ্ণনা কৰা।

(খ) আঞ্চলিক উপন্যাস হিচাপে ফণীশ্বৰ নাথ ৰেণুৰ 'ময়লা আঁচল' উপন্যাসখন বিচাৰ কৰা।

(গ) বাংলা চুটিগল্পৰ জন্মদাতা হিচাপে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ চুটিগল্পৰ বিষয়ে এটি বৈশিষ্ট্যমূলক আলোচনা দাঙি ধৰা।

★★★





# 2023

## ASSAMESE

Paper : ASMHC6146

**[ Introduction to Indian Literature (Bengali and Hindi) ]**

*Full Marks : 80*
*Pass Marks : 32*

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা (যি কোনো ছয়টা) : ১×৬=৬

(ক) 'বড়ে ঘৰ কী বেটী' চুটিগল্পটিৰ ৰচক হ'ল

*(i)* প্ৰেমচন্দ

*(ii)* ফণীশ্বৰ নাথ ৰেণু

*(iii)* ৰবীন্দ্ৰনাথ ঠাকুৰ

*(iv)* সুমিত্ৰা নন্দন পন্ত

(খ) 'মৌন নিমন্ত্ৰণ' কবিতাটোৰ ৰচক হ'ল

*(i)* সুমিত্ৰা নন্দন পন্ত

*(ii)* জীৱনানন্দ দাস

*(iii)* ফণীশ্বৰ নাথ ৰেণু

*(iv)* ৰবীন্দ্ৰনাথ ঠাকুৰ

(গ) 'কফন' গল্পটিৰ গল্পকাৰ হ'ল

*(i)* ৰবীন্দ্ৰনাথ ঠাকুৰ

*(ii)* মাণিক বন্দ্যোপাধ্যায়

*(iii)* প্ৰেমচন্দ

*(iv)* নীহাৰৰঞ্জন গুপ্ত

(ঘ) 'জননী' উপন্যাসখনৰ ঔপন্যাসিকগৰাকী হ'ল

*(i)* মাণিক বন্দ্যোপাধ্যায়

*(ii)* প্ৰেমচন্দ

*(iii)* ফণীশ্বৰ নাথ ৰেণু

*(iv)* নীহাৰৰঞ্জন গুপ্ত

(ঙ) ভাৰতৰ কোনখন বিশ্ববিদ্যালয়ত তুলনামূলক সাহিত্য অধ্যয়নৰ বাবে প্ৰথম সুকীয়া বিভাগ খোলা হৈছিল?

*(i)* কলিকতা বিশ্ববিদ্যালয়

*(ii)* যাদবপুৰ বিশ্ববিদ্যালয়

*(iii)* দিল্লী বিশ্ববিদ্যালয়

*(iv)* গুৱাহাটী বিশ্ববিদ্যালয়

(চ) সুমিত্ৰা নন্দন পন্তে জ্ঞানপীঠ বঁটা লাভ কৰা কাব্যগ্ৰন্থখন হ'ল

*(i)* চিদম্বৰা

*(ii)* গীতাঞ্জলী

*(iii)* ৰীণা

*(iv)* পল্লৱ





(ছ) 'আধুনিক ভাৰতীয় সাহিত্য' নামৰ গ্ৰন্থখনৰ ৰচক হ'ল

*(i)* মহেশ্বৰ নেওগ

*(ii)* সুকুমাৰ সেন

*(iii)* শৈলেন ভৰালী

*(iv)* সত্যেন্দ্ৰনাথ শৰ্মা

(জ) আধুনিক হিন্দী সাহিত্যৰ বাটকটীয়া হ'ল

*(i)* ভাৰতেন্দু হৰিশ্চন্দ্ৰ

*(ii)* প্ৰেমচন্দ

*(iii)* জয়শংকৰ প্ৰসাদ

*(iv)* সূৰ্যকান্ত ত্ৰিপাঠী নিৰালা

(ঝ) 'গীতাঞ্জলী'ৰ ৰচক হ'ল

*(i)* জীৱনানন্দ দাস

*(ii)* ৰবীন্দ্ৰনাথ ঠাকুৰ

*(iii)* বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়

*(iv)* বুদ্ধদেৱ বসু

(ঞ) বাংলা ভাষাৰ প্ৰথম চতুৰ্দশপদী কবিতাৰ ৰচক হ'ল

*(i)* মাইকেল মধুসূদন দত্ত

*(ii)* অমিয় চক্ৰৱৰ্তী

*(iii)* দীনবন্ধু মিত্ৰ

*(iv)* দ্বিজেন্দ্ৰলাল ৰায়

২। চমু উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) 'পোষ্টমাষ্টাৰ' গল্পটিত উল্লেখ থকা প্ৰধান চৰিত্ৰ দুটিৰ নাম লিখা।

(খ) হিন্দী ছায়াবাদ যুগৰ দুগৰাকী কবিৰ নাম লিখা।

(গ) 'পদ্মানদীৰ মাঝি' উপন্যাসখনৰ কপিলা আৰু কুবেৰ কোন?

(ঘ) কোনে কেতুপুৰৰ পৰা লোকসকলক ক'লৈ সংস্থাপিত কৰিবলৈ নিছিল?

(ঙ) বোধিয়া কোন আছিল? তাইৰ মৃত্যু কেনেকৈ হৈছিল?

(চ) আধুনিক বাংলা সাহিত্যৰ ইতিহাসৰ যি কোনো দুটা স্তৰৰ নাম উল্লেখ কৰা।

(ছ) সাম্প্ৰতিক অসমীয়া চুটিগল্পৰ দুগৰাকী গল্পকাৰৰ নাম লিখা।

৩। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৬=৩০

(ক) ভাৰতীয় সাহিত্য বুলিলে কি বুজা? ভাৰতীয় সাহিত্যৰ স্বৰূপ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(খ) 'কফন' গল্পটিৰ ঘীচু চৰিত্ৰটোৰ বিশ্লেষণ আগবঢ়োৱা।

(গ) 'পোষ্টমাষ্টাৰ' গল্পটিত উল্লেখিত ৰতন চৰিত্ৰটি বিশ্লেষণ কৰা।

(ঘ) 'ময়লা আঁচল' উপন্যাসখনৰ মাজেৰে সমাজবাদী চিন্তাৰ প্ৰতিফলন কেনেদৰে ঘটিছে, চমুকৈ লিখা।





(ঙ) তুলনামূলক সাহিত্য অধ্যয়নৰ পদ্ধতিসমূহ কি কি, চমুকৈ লিখা।

(চ) 'ভাৰততীৰ্থ' কবিতাটোৰ মাজেৰে জাতীয় ঐক্য আৰু মানবতাবোধ কিদৰে প্ৰকাশ পাইছে, চমুকৈ লিখা।

(ছ) 'ময়লা আঁচল' উপন্যাসখনৰ মূল চৰিত্ৰটিৰ এটি চমু বিশ্লেষণ দাঙি ধৰা।

(জ) হিন্দী চুটিগল্প সাহিত্যলৈ প্ৰেমচন্দৰ অৱদান সম্পৰ্কে চমুকৈ লিখা।

(ঝ) ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'পোষ্টমাষ্টাৰ' গল্পটোৰ কাহিনিভাগ তোমাৰ ভাষাত চমুকৈ লিখা।

(ঞ) ঔপন্যাসিক হিচাপে মাণিক বন্দ্যোপাধ্যায়ৰ এটি চমু আলোচনা আগবঢ়োৱা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) তুলনামূলক সাহিত্যৰ সাধাৰণ পৰিচয় দি এটি আলোচনা আগবঢ়োৱা।

(খ) হিন্দী সাহিত্যৰ ভাৰতেন্দু যুগৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(গ) সাম্প্ৰতিক অসমীয়া উপন্যাসৰ ধাৰা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ঘ) 'কফন' গল্পটিৰ মাজেৰে দৰিদ্ৰতাই গ্ৰাস কৰা সমাজখনৰ ছবি কিদৰে প্ৰতিফলিত হৈছে, বিচাৰ কৰা।